بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

## খিলাফতে হাক্কা ইছলামীয়াৰ সাহাৰ্য্য কৰাৰ অঙ্কিত দৃশ্যৰ কিছুমান ঈমান বৰ্দ্ধক ঘটনাৰ বৰ্ণনা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২৬ মে ২০২৩ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلَٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوذُ بِاللّٰهِ مِنَ الشَّيْطَانِ الرَّجِيمِ۔ بِسْمِ اللّٰهِ الرَّحْمَٰنِ الرَّحِيمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعَالَمِينَ۔ الرَّحْمَٰنِ الرَّحِيمِ۔ مَالِكِ يَوْمِ الدِّينِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِينُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيمَ۔ صِرَاطَ الَّذِينَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوبِ عَلَيْهِمْ وَلَا الضَّالِّينَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে আল্লাহ তা'লাই যেতিয়া হজৰত মছীহ  মাওউদ (আঃ)ক জনাইছিল যে তেখেত (আঃ)ৰ ইহলীলা সম্বৰণ কৰাৰ সময় ওচৰ চাপি আহিছে তেতিয়া তেখেত (আঃ)য়ে জামাতৰ সদস্য বৃন্দক কৈছিল, আল্লাহ তা'লা দুই ধৰণে নিজৰ অলৌকিক শক্তি (কুদৰত) প্ৰকাশ কৰি থাকে। ইয়াৰে প্ৰথম হ'ল নিজৰ নবীসকলৰ হাতৰ জৰিয়তে নিজৰ কুদৰতৰ হাত দেখুৱায়। দ্বিতীয় কুদৰত (সেই সময়ত প্ৰকাশ কৰে যেতিয়া নবীৰ তিৰুধানৰ পিছত জামাতত কঠিন সমস্যায় দেখা দিয়ে আৰু জামাতৰ শত্ৰু সকলে পৰাক্ৰমী হৈ উঠে আৰু ধাৰণা কৰে যে এতিয়া সকলো লণ্ডভণ্ড হৈ যাব আৰু জামাত শেষ হৈ যাব। এনেকি জামাতৰ লোক সকলেও দুদুল্যমান অৱস্থাত পৰি যায় আৰু মনোবল হেৰাই যাবলৈ ধৰে আৰু কিছুমান দুৰ্ভগীয়াই মুৰতদ হৈ যায়,  তেতিয়া খোদা  তা'লাই আকৌ তাৰ প্ৰতাপী কুদৰত জগতত প্ৰকাশ কৰি দিয়ে আৰু পতনোম্মুখ জামাতক চম্ভালি লয়। গতিকে  যিসকলে অন্তিম পৰ্যায় লৈকে অপেক্ষা কৰি থাকে ধৈৰ্য ধাৰণ কৰি থাকে তেওঁলোকে খোদা তা'লাৰ সেই অলৌকিক মজিজা অৱলোকন কৰিব পাৰে যেনেকৈ হজৰত আবু বক্কৰ (ৰাঃ)ৰ খিলাফৎ কালত সংগঠিত হৈছিল। যেতিয়া আঁহজৰত (ছাঃ)ৰ মৃত্যু হোৱাটো এটা অপৰিপক্ক সময়ত ঘটি যোৱা মৃত্যু বুলি ধৰা হৈছিল আৰু বহুতো গাওঁবাসীয়ে মুৰতদ হৈ পৰিছিল আৰু চাহাবা সকলে নানা চিন্তাত উদাস হৈ পৰিছিল। তেতিয়া খোদা তা'লাই হজৰত আবু বক্কৰ ছিদ্দিক (ৰাঃ)ক থিয় কৰাই দ্বিতীয়বাৰ নিজৰ কুদৰত প্ৰদৰ্শন কৰে আৰু পতনমুখী ইছলামক ধ্বংসৰ হাতৰ পৰা তুলি লৈ আনে আৰু সেই প্ৰতিশ্ৰুতি পূৰ্ণ কৰে য'ত কৈছিল **ওৱালাইউমাক্কিনান্না লাহুম দিনাহুমুল্লাজিৰ তাজা লাহুম ওৱাইউবাদ্দিলান্নাহুম মিম বাদি খাউফিহিম**

**আমনা**। অৰ্থাৎ আতংকিত হোৱাৰ পিছত আকৌ আমি সিহঁতৰ ভৰি টনকীয়াল কৰি দিম।

হজৰত মুছা (আঃ)ৰ সময়তও এনেকুৱা হৈছিল তেখেত (আঃ)য়ে বনি ইস্রাইল গোত্ৰৰ প্ৰতিশ্ৰুতি অনুযায়ী লক্ষ্যস্থল পৌচাই দিয়াৰ আগতেই মিচৰ আৰু কিনানৰ বাটত মৃত্যু বৰণ কৰিছিল। তেতিয়া বনি ইস্রাইল সকলৰ মাজত এক শোকাকুল পৰিৱেশ বিৰাজ কৰে আৰু তেওঁলোকে চল্লিছ দিনলৈকে কন্দা কটা কৰিছিল।

হজৰত মছীহ মাওউদ (আঃ)য়ে কৈছে যে তোমালোকৰ নিমিত্তে দ্বিতীয় কুদৰত দেখিবলৈ পোৱাৰ আৱশ্যক আছে আৰু সেয়া অহাটো তোমালোকৰ বাবে উত্তম কাৰণ সেয়া চিৰস্থায়ী যাৰ ধাৰাবাহিকতা কিয়ামতলৈকে বন্ধ নহয়। সেই দ্বিতীয় কুদৰত মই নোযোৱালৈকে আহিব নোৱাৰে। কিন্তু মই যেতিয়া যামগৈ তেতিয়া আকৌ খোদা এই দ্বিতীয় কুদৰত তোমালোকলৈ পঠাই দিব যি সদায় তোমালোকৰ লগত থাকিব যেনেকৈ খোদা তা'লা বাৰাহিনে আহমদীয়াত প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

গতিকে যেতিয়া হজৰত মছীহ মাওউদ (আঃ)ৰ মৃত্যু হয়  তেতিয়া আল্লাহ তা'লা নিজৰ প্ৰতিশ্ৰুতি অনুযায়ী হজৰত মৌলানা নুৰ উদ্দিন চাহাব (ৰাঃ)ৰ হাতত জামাতক একগোট কৰি দিয়ে। কিছুমানে বিচাৰিছিল যে সকলো ব্যৱস্থাপনা আঞ্জুমানৰ হাতত থাকক। কিন্তু তেখেতে অদৃশ্যৰ হাতেৰে সকলো সমস্যা আৰু বিবাদৰ অন্ত পেলাইছিল। ইয়াৰ পিছত হজৰত খলিফাতুল মছীহ ছানি খিলাফতৰ আসনত অধিষ্ঠিত হয়। এই সময়ছোৱাতও মুনাফিক সকলে জামাতত বিভাজন আনিবলৈ চেষ্টা কৰে; কিন্তু খোদা তা'লাই মুনাফিক সকলৰ পৰিকল্পনা ধ্বংস কৰি মোমিন সকলৰ জামাতক এখন হাতত জমা কৰি দিয়ে। হজৰত খলিফাতুল মছীহ ছানি (ৰাঃ)ৰ তিৰুধানৰ পিছত তৃতীয় খিলাফৎ আৰম্ভ হয় ইয়াৰ পিছত চতুৰ্থ খিলাফতৰ আৰম্ভণী হয়।

ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে অতি বিনম্ৰ ভাৱে কয় যে আল্লাহ তা'লা মোক এই আসনত অধিষ্ঠিত কৰি হজৰত মছীহ মাওউদ (আঃ)ক দিয়া প্ৰতিশ্ৰুতি অনুযায়ী জামাতক উন্নতিৰ বাটত আগুৱাই লৈ আছে। জামাতৰ শত্ৰু সকলে জামাতত বিভাজন সৃষ্টি কৰাৰ বহু চেষ্টা কৰিছে, আহমদী সকলক শ্বহীদ কৰা হৈছে, জাগতিক ঈমান আৰু বিশ্বাসত আগবঢ়াই লৈ গৈ আছে।

খিলাফতৰ সৈতে আহমদী সকলৰ যি নিগূঢ় সম্পৰ্ক সেয়া একমাত্ৰ আল্লাহ তা'লাহে জন্মাব পাৰে, কোনো মানুহৰ মাজত এই শক্তি নাই যে এনেকুৱা প্ৰেম আৰু একাগ্ৰতাৰ সম্পৰ্ক সৃষ্টি কৰিব পাৰে। মই যিখন দেশলৈ যাওঁ তাতেই এনে দৃশ্য দেখিবলৈ পাওঁ আৰু এয়া কেৱল মুখেৰে কোৱা কথা নহয়, বৰং বৰ্তমানে কেমাৰত সকলো বন্দী হৈ আছে। এম,টি,এৰ মাজেৰে এইবোৰ দৃশ্য সদায় দেখুৱাই থাকে। এনেবোৰ দৃশ্য চাই বিৰুদ্ধবাদী সকলে ক'বলৈ বাধ্য হয় যে আল্লাহ তা'লাৰ কাৰ্যকৰী সাক্ষী তোমালোকৰ লগত আছে। আনহাতে হেজাৰ হেজাৰ পত্ৰ মোলৈ আহে য'ত খিলাফতৰ সৈতে আনুগত্য আৰু একাগ্ৰতাৰ চানেকি উল্লেখ থাকে। আল্লাহ তা'লা কেনেকৈ নিজে মানুহৰ হৃদয়ত খিলাফতৰ প্ৰতি প্ৰেম জগাই তুলিছে তাৰে উল্লেখ থকা কিছুমান পত্ৰ আপোনালোকৰ আগত ৰাখিম।

তানজানিয়াৰ এজন মোৱাল্লিগ চাহাবে লিখিছে যে এদিন ফজৰ নামাজৰ পিছত মছজিদৰ খটখটিৰ ওপৰত এজনী মহিলাক লগ পাও তাই কয় যে তাতে তাই দোৱা কৰোৱাবলৈ আহিছে। যিয়েই নহওঁ তাই আচলতে অআহমদী মুছলমান সকলে কৰা দৰূদৰ পৰম্পৰাৰ দৰে কিবা এটা কৰোৱাবলৈ আহিছিল। পিছত আমি জামাতৰ শিক্ষা তাইক বুজাই দি দোৱা কৰোৱাইছিলো। তেতিয়া সেই মহিলা জনীয়ে কৈছিল যে মই সপোনত দেখো যে এজন দীঘল দাড়ি থকা বুজুৰ্গে মোক দ্বীন সম্পৰ্কে বুজাই আছে। ইয়াৰ পিছত তাইক জামাত আহমদীয়াৰ পৰিচয় দিয়া হয় আৰু হজৰত মছীহ মাওউদ (আঃ) আৰু খলিফা সকলৰ ফটো তাইক দেখুৱা হয়। তাই হজৰত মছীহ

মাওউদ (আঃ)ৰ ফটো চাই কয় যে এই বুজুৰ্গ জনেই মোৰ সপোনত আহিছিল।

ইণ্ডোনেচীয়াৰ এখন অঞ্চলৰ বাসিন্দা আব্দুল্লাহ চাহাব তেখেতৰ আমাৰ জামাতৰ  সৈতে সম্পৰ্ক আছিল আৰু আমাৰ মিচন হাউচৰ ওচৰতে থকা হেতুকে বিৰুদ্ধবাদী সকলে তাৰ ওপৰত অভিযোগ উত্থাপন কৰি সিহঁতৰ মছজিদলৈ যোৱা বন্ধ কৰি দিয়ে। আব্দুল্লাহ চাহাবে সপোনত দেখিবলৈ পায় যে তেওঁ চাকনৈয়াত আটক হৈ পৰিছে য'ত তেওঁ ডুবি মৰিব। পিছত তেওঁ হজৰত মছীহ মাওউদ (আঃ)ৰ ফটো চাই কয় যে এইজন বুজুৰ্গেই মোক সপোনত চাকনৈয়াৰ পৰা বচাইছে। আব্দুল্লাহ চাহাবৰ পুতেকেও সপোন দেখিছিল আৰু পিছত খলিফাতুল মছীহ ছালিছ,খলিফাতুল মছীহ ৰাবে আৰু মোৰ ফটো চাই কয় যে এই সকল লোকেই মোক বচাইছে। ইয়াৰ পিছত আব্দুল্লাহ চাহাবে পৰিয়াল সহ বয়াত গ্ৰহণ কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে এজনী মহিলায় আহমদী হোৱাৰ আগতে সপোনত দুটা শব্দ শুনিবলৈ পায়, এটা হ'ল তিলাওত কৰাৰ শব্দ আৰু আনটো হ'ল সেই ঠাইৰ মোৱাল্লিম চাহাবৰ কণ্ঠস্বৰ। জামাতৰ ৰেডিঅত মোৰ খোতবা আৰু আন প্ৰোগ্ৰাম শুনি কয় যে এই কণ্ঠস্বৰ মই সপোনত শুনিছো। তাৰ পিছত মহিলাজনীয়ে বয়াত কৰে।

কেমেৰুণৰ এজন ডেকায় কৈছে যে কেইবছৰমান আগত এদিন তেওঁ সপোনত দুজন বুজুৰ্গ ব্যক্তিক দেখিবলৈ পায়। তাৰে কেইদিনমান পিছত বজাৰত এজন ডেকা ল'ৰাক জামাতৰ প্যামফ্লেট বিতৰণ কৰোঁতে দেখিবলৈ পায়। সেই প্যামফ্লেটত হজৰত মছীহ মাওউদ (আঃ)ৰ ফটো খচিত আছিল যি ল'ৰাজনে সপোনত দেখিছিল। তাৰ পিছত ল'ৰাজনে জামাতৰ সৈতে সম্পৰ্ক কৰে আৰু লিটাৰেচাৰ বিলাক পঢ়ে আৰু তাতে আন এটা ফটো দেখিবলৈ পায়, যি বৰ্তমান খলিফাৰ ফটো আছিল। যিজনে তেওঁক সপোনত নামাজ পঢ়োৱাবলৈ কৈছিল। ল'ৰাজনে কয় যে মোৰ কবুলিয়তে আহমদীয়তৰ পিছত গাঁৱৰ গাঁৱপ্ৰধানৰ মৃত্যু হয় আৰু মোক গাওঁ প্ৰধান বনাই দিয়ে। তেওঁ কয় যে এই সকলোবোৰ বৰকাত মই জামাতত চামিল হোৱাৰ ফলত লাভ কৰিছোঁ।

গিনিবছাওৰ এজনী মহিলা আয়শা মাৰিয়া চাহিবাৰ দুজন পুত্ৰই আহমদীয়ত গ্ৰহণ কৰে। তেওঁলোকৰ ডাঙৰ ভায়েকে জামাত বিৰোধী আছিল, আৰু তেওঁৰেই পৰিয়াল চলাইছিল। তেওঁ সকলোকে সতৰ্ক কৰি দিছিল যে যদি তোমালোকে আহমদীয়ত এৰি নিদিয়া তেন্তে তোমালোকৰ সৈতে মোৰ আৰু সম্পৰ্ক নাই। সৰু ভাইটি দুজনে উত্তৰত কৈছিল আল্লাহ তা'লাৰ সত্তাই আমাৰ বাবে যথেষ্ট আমি আহমদীয়ত এৰি নিদিও। ইয়াৰে দুদিন পিছত সপোনত মহিলাজনীক বগা কাপোৰ পৰিধান কৰা আৰু বগা দাড়ি থকা বুজুৰ্গ এজনে শান্তনা দি কৈছিল যে চিন্তা নকৰিবা তোমাৰ পুত্ৰদয় সকলোতকৈ ওপৰত থাকিব। পিছদিনাখন পুৱাতে মহিলাজনীয়ে মিচনাৰী ইনচাৰ্জৰ ওচৰত গৈ উপস্থিত হয়  আৰু মোৰ ফটো আঁৰি থোৱা দেখা পাই কয় যে মোৰ সপোনত অহা ব্যক্তি জন এইজনেই আছিল। বয়াত কৰাৰ পিছত মহিলাজনী বৰ মুখলিচ আহমদী হৈ পৰে।

কেনিয়াৰ এখন অঞ্চল ভাটিৰ অধিকাংশ বাসিন্দা খৃষ্টান। এদিন জামাতৰ এজন বিৰোধী লোক মহম্মদ আবদি আমালোকৰ চেণ্টাৰত নামাজ পঢ়িবলৈ আহে। তাতে আহমদীয়া জামাতৰ বিষয়ে ভালদৰে জানিব পাৰে। ইয়াৰে কিছুদিন পছত মানুহজনে মোৱাল্লিম চাহাবৰ কোঠালিলৈ আহে তেতিয়া তাতে এম,টি.এৰ মাজত জুমাৰ খোতবা চলি আছিল। খোতবা শেষ হোৱাৰ পিছত তেওঁ বয়াত কৰিব বুলি কয়। তেতিয়া তাৰ বয়াত কৰাৰ কাৰণ সোধাত তেওঁ কয় যে যোৱা ৰাতিত সাৰ পোৱাৰ পিছত চোতালত ওলাই যাওঁ তেতিয়া মই আকাশত এটা উজ্জ্বল বস্তু দেখিবলৈ পাওঁ। সেই বস্তুটো দেখাৰ লগে লগে মই বৰকৈ বিচলিত হৈছিলো। এই খোতবা চাই মোৰ ৰাতিৰ দৃশ্যটো স্পষ্ট হৈ  গ'ল। তেতিয়াৰে পৰা লোক জনে পৰিয়াল সহ আহমদীয়ত গ্ৰহণ কৰে।

ছেৰালিউনৰ এজন বাসিন্দা ইব্ৰাহিম চাহাবে এম,টি,এৰ মাজত মোৰ খোতবা শুনি মুকলি ভাৱে প্ৰকাশ কৰে

যে মৌলবী সকলৰ শিক্ষা ভিত্তিহীন মিছা। তেওঁলোকে মিছা দোষাৰোপ কৰে। মই নিজে শুনিছো ইমাম জামাতে আহমদীয়াই নিজৰ খোতবাত কোৰাণ কৰিম আৰু হাদীছৰ বিষয় সমূহ বৰ্ণনা কৰে। তাৰ বাণী সমূহ হাদীছ, কোৰাণ অনুযায়ী, সেয়ে আহমদীয়া জামাত মিছা হ'ব নোৱাৰে। এইবুলি মানুহজনে আহমদীয়ত গ্ৰহণ কৰে।

কঙ্গোকিনাছাৰ এজন ব্যক্তি আহমদ চাহাবে নিজৰ পৰিয়ালৰ আঠজন সদস্যক লৈ বয়াত কৰে আৰু তবলিগ কৰিবলৈ আৰম্ভ কৰে যাৰ ফলত ৬২ জন লোকে আহমদীয়ত গ্ৰহণ কৰে। খলিফা ওয়াক্ত আৰু নিজামে খিলাফত এওঁলোকৰ আহমদী হোৱাৰ ডাঙৰ কাৰণ। ইয়াৰ পিছত তেওঁলোকৰ তবলিগৰ জৰিয়তে জামাতৰ সংখ্যা বাঢ়ি যায়।

কঙ্গোকিনাছাৰ আমিৰ চাহাবে লিখিছে যে কঙ্গোত জামাতি ৰেডিঅ চেণ্টাৰৰ ওপৰি আৰু ২৩ টা ৰেডিঅ চেণ্টাৰত তৰবিয়তি আৰু তবলিগী প্ৰোগ্ৰাম আৰু খোতবা জুমা প্ৰচাৰ কৰা হয়। এজন স্থানীয় ঈছাই ডক্টৰ চাহাবে কয় যে মই নিয়মিত খোতবা শুনি থাকো গতিকে মই খোতবা জুমা স্থানীয় ভাষাত তৰজুমা কৰিবলৈ অনুৰোধ জনাওঁ। যাতে বেছি বেছি লোকে লাভ আহৰণ কৰিব পাৰে। আল্লাহ তা'লা এনেদৰে ইছলাম আৰু আহমদীয়তৰ সংবাদ প্ৰচাৰৰ ব্যৱস্থা কৰি আছে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে ত্ৰিনিদাদ, কিগিস্থান, পেৰাগুৱে আৰু বাংলাদেশৰ আৰু কেইটামান ঘটনা বৰ্ণনা কৰি কয় যে এটা সময় আহিব তেওঁলোকৰ দৃষ্টি খুলিব আৰু আহমদীয়ত চিনি পাব। খিলাফতৰ বৰকত চিৰদিন জাৰি থাকিব।

এই ঘটনা সমূহ খিলাফতে আহমদীয়তাৰ বাবে আল্লাহ তা'লাৰ সাহায্য আৰু হজৰত মছীহ মাওউদ (আঃ)য়ে আঁহজৰত (ছাঃ)ৰ দাসত্বত আহি বিশ্ববাসীক উম্মতে ওৱাহেদ বনোৱাৰ একমাত্ৰ সাক্ষী। পৰিস্থিতি অনুকুলে নোহোৱা সত্ত্বেও খিলাফতে আহমদীয়াই গোটেই বিশ্বত ইছলামৰ উন্নতি কল্পে তবলিগৰ কাম কৰি আছে। যিবোৰ আল্লাহ তা'লাৰ কাৰ্যকৰী সাক্ষীৰ প্ৰমাণ।

আল্লাহ তা'লাৰ প্ৰতিশ্ৰুতি আৰু আঁহজৰত (ছাঃ)ৰ ভৱিষ্যদ্বাণী অনুযায়ী খিলাফতে আলা মিনহাজিন নবুয়ত কিয়ামত পৰ্যন্ত চলিব। কোনো শত্ৰুৱে ইয়াৰ বাট আচোৰী চুলি পৰ্যন্ত বেঁকা কৰিব নোৱাৰে। গতিকে নিজৰ ঈমানত দৃঢ়তা জন্মাওক। নিজকে নিজে খিলাফতৰ সৈতে সংলগ্ন ৰাখক, ইয়াৰ বাবে যিকোনো ধৰণৰ কোৰবাণী কৰিবলৈ কুণ্ঠাবোধ নকৰিব। আল্লাহ তা'লা ইয়াৰ বাবে আমাক তৌফিক দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ أَنْ لَّآ اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِي الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 6000032598,9707110844